পাঞ্চজন্য শঙ্খ বিটো আমাত আছয় ॥ অসঙ্গী জীৱক সঙ্গী কৰিবো নিশ্চয়। শঙ্কৰ নামৰ জানা, এহিসে অন্বয় ॥ এহি হেতু মোক জানা শঙ্কৰ বোলয় ॥” কীৰ্ত্তন-দশম কৰবাত শঙ্কৰদেৱৰ এনে চেষ্টাৰ নাম-গোন্ধ পাবলৈ আছেনে ?

মাধৱদেৱৰ ৰচিত বৰগীতৰ লেখ আদি আগতে দিয়া হৈছে। অঙ্কৰ দৰে বৰগীততো উদাসীন মাধৱদেৱৰ বাৎসল্য-ৰসৰ বৰ্ণনা বিশিষ্ট। এনে ধৰণৰ এটি অতি সুপ্ৰখ্যাত বৰগীত পূজা-প্ৰসঙ্গত আজি তাকৰকৈও চাৰিশত বছৰ চলি আহিছে—

## ৰাগ শ্যাম

তেজৰে কমলাপতি পৰভাতে নিন্দ। তেৰি চান্দ মুখে পোখো উঠৰে গোবিন্দ ॥
ৰজনী বিদূৰ দিশ ধৱলী বৰণ। তিমিৰ ফেৰিয়া বাঝ ৰবিৰ কিৰণ ॥
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰাই। ব্ৰজবধূ দধি মথে তুৱা গুণ গাই ॥
দাম-সুদাম ডাকে তেৰি লৈয়া নাম। হেৰ দেখ উঠিয়া আসিল বলৰাম ॥
নন্দ গেল বাথানে গোৱাল গেল পাল। সুৰভি চাৰিতে লাগে উঠৰে গোপাল ॥
ক্ষীৰ নৱনু লৈয়া শিঙ্গা বেত বেণু। সকালে মেলিয়ো বৎস হাম্বালাৱে ধেনু ॥
কহয় মাধৱ মাই কিনো তপাসাইলা। ত্ৰিজগত পতি হৰি-ৰাখোৱাল পাইলা ॥

বাৎসল্য-ৰসৰ আন এটি অতি প্ৰেম-মুগ্ধ মাধৱদেৱৰ সংস্কৃতীয়া বৰগীত—

## ৰাগ অহিৰ

গোবিন্দ চিন্তহ বাল গোপালম্।
ৰতন তলপ মহ শয়নে ৰহতু হৰি পঙ্কজ নয়ন বিশালম্ ॥ধ্ৰুং॥
কৰ-পঙ্কজ যুগে ধৰি পদ-পঙ্কজ বয়ন-পঙ্কজে নিবেশিতম্।
মুনিবৰ কৈচন ছোড়ি অমিয়া মধু পদ-পঙ্কজ ৰস পিতম্ ॥
ওহি মন ভাবি পৰম ৰতি-কৌতুকে নিজ পদ-পঙ্কজ পানম্।
বালক কেলি অমিয়া ৰস-সাগৰ মাধৱ কহ পৰমাণম্ ॥

এইবোৰৰ বাহিৰেও মাধৱদেৱে সাময়িক ঘটনা লৈ কৃষি-ব্যৱসায় আদিৰ আধ্যাত্মিক ৰূপ দি কিছুমান ধুনীয়াকৈ ৰচা বৰগীত কাহিনী আছে—

## ৰাগ ভাটিয়ালী

কিৰিষি কৰ আলো মনাই হৰিচৰণ সেৱাৰ পৰম সুখে।
যতন কৰিয়া হৰিৰ নাম সদা ভাব মুখে ॥ধ্ৰুং॥

অৰুণ বৰণ   হৰিৰ চৰণ   সদায় চিন্ত মনে।
খৰে নমাৰে   বানে নেনে   ফছে ছুনে বনে॥
হেন কিৰিষি   তেজিয়া মনাই   কোন কিৰিষি কৰ।
খৰে মাৰিব   বানে নিব   দুখ পাই কেন মৰ॥
ভাল খেতখানি   হৰিৰ চৰণ   বতৰ বান্ধিয়া লৈয়ো।
যেমন বলিয়   তেমন হয়   যতন কৰিয়া বৈয়ো॥
হৰিৰ চৰণে   যি শস্য ফলিব   সকল অবিনাশী।
যত খুজি   তত পাই   এ বড় কিৰিষি॥
সব তেজিয়া   লৈয়ো মনাই   সন্তৰ সঙ্গতি।
তেবেসে কিৰিষি   ফলে কহয়   মাধৱ মূৰুখ মতি॥

## ৰাগ ভাটিয়ালী

ব্যৱসা কৰিয়ো ভাই হৰিৰ চৰণ ধন সাৰ। অৰুণ চৰণ বিনে ধন নাহি আৰ।
ব্যৱসা কৰিতে পাইলা নৰ-তনু নাৱ। যাৱে নাই পচে নাৱ মাণিক বেসাৱ॥
বন্দৰ পাইলা দ্বীপ ভাৰত আসিয়া। লৈয়ো ৰাম-নাম ভাই মাণিক বাচিয়া॥
কৰিয়ো ব্যৱসা হৰি-ভকতৰ কাছে। ৰাম-নাম ৰত্নৰ ভাণ্ডাৰ মেলি আছে॥
যতন কৰিয়া লৈয়ো ভাই যাৰ যত লাগে। শীঘিৰ কৰিয়া ভাৰ ৰাম ভৰা হাট লাগে॥
সংসাৰ তৰিতে লাগে নাৱ পচে ঘাটে। চলিতে নিকট ভৈল ভৰা দিয়ো ঝাণ্টে॥
যি নৰ চতুৰ মুখে ৰাম-নাম ধৰ। মূল ৰাখি লাভ কৰি ভৱ-নদী তৰ॥
ৰাম নাম লৈয়া আন আশা কৰ দূৰ। মিছা দিয়ো সঙ্কা লৈয়ো তেবেসে চতুৰ॥
ৰাম-নাম-ৰত্নে ভৰা দিয়ো তনু-নাৱ। হৰি গুণ গায়া যমৰ ঘাটি মাৰি যাৱ॥
ভকতৰ ধন হৰি-নাম নৱ নিধি। চাৰি বেদ বিচাৰিয়া কৈয়া আছা বিধি॥
কহয় মাধৱ দাস দীন মতিহীনা। আন ধন অকাৰণ ৰাম-ধন বিনা॥

হাস্তৰস মিহলি মাধৱদেৱৰ বৰগীতত ৰামচৰণে যোগা দিলে—

## ৰাগ ভাটিয়ালী

বুঢ়া ভাই! হৰি-গুণ গায়া নাচাঁ।
কোন দিন ঢলি   শৰীৰ পৰয়   আৰ কি বাট চাই আছাঁ॥ধ্রু

আয়ু দিলে ভাঠি হাতে লৈলা লাঠি হাণ্ঠিতে নচলে পাৱ।
ভাগিল মাওলি আগ গৈল ঢলি ধনু ফান্দ দিলে গাৱ ॥
ছাল সোটা-সোট হাড় গোটা-গোট কোটৰে লুকাইল আখি।
তেজ-বল-মাংস গাৱতে লুকাইল, দেখিয়া নপাবা সাখী ॥
শুখাই গৈল আস্ত মুখে নাসে মাত বাস্তৱো নাহি অৱস্থা।
কাসে ঢুল-ঢুল সৰি গৈল চুল লড়-বৰ কৰে মাথা ॥
বিভৎস শৰীৰ আখি ঝুৰে নীৰ তিনি থানে ভৈল বাগ।
কহয় মাধৱ সৱেয়ো মৰিব তথাপি বুঢ়াসে আগ ॥

## ৰাগ ভাটিয়ালী

ডেকা ভাই! কিহৰ হৰিষ তোৰ।
চক্ষু নেদেখস আনন্দে ভ্ৰমস তোক পাইলে কাল-চোৰ ॥ধ্ৰুং।
আছিলি ছৱাল ভৈল যুৱাকাল কেন তাত নাই মন।
আপদৰ বন্ধু যতন লইয়ো ৰাম-নাম মহাধন ॥
আয়ু আদি কৰি যত ধন-জন সৱ কাল-চোৰে হৰে।
দেখি নেদেখস বুঢ়াক হাসস ছৱাল কালতে মৰে ॥
যৌৱন গৰ্ব্বক ঝাণ্টে পৰিহৰি নামক লৈয়ো যতনে।
কালৰ হাতত বৃদ্ধ যুৱা নাই কহয় ৰামচৰণে ॥

এনে অনুক্ৰমে মাধৱদেৱৰ বৰগীতসমূহ স্বয়ং অসমীয়া সাহিত্যৰ এটি শ্ৰেষ্ঠ কীৰ্ত্তিস্তম্ভ। মাধৱদেৱ নিজে অতি সুগায়ক যে আছিল ৰামচৰণৰ "অমৃতৰ সুৰ যেন মাধৱৰ বাণী। কৰিলা প্ৰশংসা সন্ন্যাসী মনে জানি ॥" (শঙ্কৰ চৰিত, ৩২৭০ পদ) কাহিনীৰ পৰা বুজিব পাৰি। বৰগীতৰ বাহিৰেও মাধৱদেৱৰ ভট্টিমা আদি অতি মনোৰম; চানেকি স্বৰূপে প্ৰখ্যাত গুৰু-ভট্টিমাটি মাত্ৰ উদ্ধৃত কৰা হল।—

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ যাকেৰি নাহি উপাম।
তোহাৰি চৰণক ৰেণু শতকোটি বাৰেক কৰোঁহো প্ৰণাম ॥
দৰশিত সুন্দৰ গৌৰ কলেৱৰ যৈছন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি দৰশনে পাপ বিনাশ ॥

বিনে অঙ্গ ভূষণ  পেখি সুশোভন  গহীন গম্ভীর ধীর মতি।
আয়ত কমল  নয়ন বর সুন্দর  বয়ন চান্দকহো জ্যোতি॥
লীলা গজপতি  গমন বিলোকন  বাণী মেঘ গম্ভীর।
পাষণ্ড মৰ্দ্দন  কলিকো কালে  যাকো সম নাহি বীৰ॥
যোহি নাৰায়ণ  মায়া বিস্তাৰি  কৰু ত্ৰিজগত নিৰমাণ।
সনক সনাতন  যোগী যাকেৰি  মহিমা কবহু নজান॥
সকল চৰাচৰ  পালনকাৰী  যো হৰি দেৱক দেৱা।
চতুৰ বয়ন শিৱ  সুৰপতি যাকেৰি  কৰু নিত চৰণহি সেৱা॥
চাৰি বেদ শিৰো-  -মণি মাঝে  যাকেৰি চৰণ বিকাশ।
সোহি দেৱক  কয়লি কলিকো  শঙ্কৰদেৱ পৰকাশ॥
ত্ৰিভুবন বন্দন  দৈৱকী নন্দন  যো হৰি মাৰল কংস।
জগজন-তাৰণ  দেৱ নাৰায়ণ  শঙ্কৰ তাকেৰি অংশ॥
মায়া-নৰতনু  ধৰি হৰি-ভকতি  কয়লি বহু পৰচাৰ।
সব নৰ পাপ-  পয়োধি মজ্জল  তাহে কয়লি উদ্ধাৰ॥
অৱ দিশি চাৰি  বেদ বিচাৰি  বেকত কৰু হৰি-নাম।
যাকেৰি বয়নে  মিলাই গাই  পায় মনোৰথ কাম॥
পণ্ডিত মানী  বেদ বখানি  গৰৱ কয়লি সৱ চূৰ।
গীত-কবিত্বগুণ  শঙ্কৰদেৱৰ  কীৰিতি গয়ো বহুদূৰ॥
শ্ৰী যশ দান  মান ভূত দয়া  সৱ গুণ সম্পন্ন থিক।
ভকতক ভকতি  দানে কৰু গুৰু  দায়া তনয় অধিক॥
হৰিক মুকুতি  সুকৃতি মন মগন  মজ্জল আনন্দ-সিন্ধু।
ঐছন নিৰমল  হৃদয়ে বিকশিত  ভকত কুমুদ-কুল ইন্দু॥
নিজ কুল তাৰি  ভকতি বিস্তাৰি  বান্ধল হৰিগুণ-সেতু।
কলিযুগে পাপ-  পয়োধিক সৱ নৰ  তাৰণ-কাৰণ হেতু॥
ভকতি-ভাণ্ডাৰ  দ্বাৰ সৱ ছোড়ি  মুকুতি কয়লি উদাস।
এক শৰণ হৰি  নাম-ধৰম কহে:  ৰাজা কৰু পৰকাশ॥
কি কহব শঙ্কৰ  দেৱৰ মহিমা  জানি অন্ত নপায়।
যাকেৰি চৰণক  ৰেণু শিৰে পৰশি-  মুকুতি-সুখ সুখে পায়॥

মাধৱ দীন মূৰুখমতি কহয় বাণী শুন সৱ লোই।
বিনে গুৰু-চৰণ ভকতি-ৰকতি- মুকুতি কবহু নহোই॥
ওহি পৰম তত্ত্ব বেদকো বাণী জানি নৰ নকৰ বিৰাম;
ধৰমক কৰমক গৰৱক ছোড়ি ডাকি বোলহু ৰাম ৰাম॥

অসমীয়া সাহিত্যত, তথা অসমীয়া সংস্কৃতিত, সমাজ বা জাতিগঠনত; শঙ্কৰ দেৱৰ স্থান নির্ণয় কৰিবলৈ যোৱা বিড়ম্বনা আৰু দুঃসাহস মাত্ৰ; কিয়নো বেলিক যেনেকৈ তাৰ পোহৰৰ পৰা পৃথকৰূপে কল্পনা বাতুলতা মাথোন, তেনেকৈ অসমীয়া সাহিত্য, সংস্কৃতি, সমাজ আৰু জাতি শঙ্কৰদেৱৰ প্ৰতিভাৰ প্ৰতিবিম্ব বা প্ৰতিকৃতি মাত্ৰ। অসমৰ সাংস্কৃতিক সৌৰ জগতত শঙ্কৰদেৱ যিদৰে সূৰ্য্য স্বৰূপ, মাধৱদেৱও সেইদৰে তাক কেন্দ্ৰ কৰি ঘূৰা বিভিন্ন গ্ৰহ-জ্যোতিষ্কৰ বৃহস্পতি স্বৰূপ। এওঁলোকৰ লগৰীয়া মঙ্গল, বুধ, শুক্ৰ আদি ৰূপৰ অন্যান্য জ্যোতিষ্ক-সকলৰ বিষয়ে ইয়াৰ পাছত তেনেভাৱেই আলোচনা কৰা হব।

## হৰিচৰণ অনন্ত কন্দলী চন্দ্ৰভাৰতী ভাগৱত ভট্টাচাৰ্য্য

কামৰূপে অনুপাম হাজো হেন যাৰ গ্ৰাম, যাত মহা পঞ্চ তীৰ্থ আছে।
মহা মণিকুট গিৰি উঠি যত জন্ম তৰি লোহিত বহন্ত যাৰ কাছে॥
গিৰিবৰ ওপৰত মহাৰম্য মন্দিৰত আছে কৃষ্ণ-ভকতৰ পতি।
হয়গ্ৰীৱ ৰূপ ধৰি যাক দেখি নৰ-নাৰী মহাসুখে সাধয় মুকুতি॥
তাসম্বাৰ হন্তে দিব্য পট্টবস্ত্ৰ উপজয়, দেৱ-দ্বিজ ৰাজাৰো ভূষণ।
সেহি হাজো নাম স্থানে আছিলন্ত ৰঙ্গ মনে মাধৱত কৰিয়া সেৱন॥
তন্ত কুল কমলৰ প্ৰকাশক দিবাকৰ ভাগৱত শাস্ত্ৰত পাৰ্গত।
ৰত্ন পাঠক নাম দ্বিজবৰ অনুপাম আছিলন্ত কৃষ্ণত ভকত॥
দেৱ মাধৱৰ বৰে উপজিলা তান ঘৰে তাহান নন্দন শুভ মতি।
পিতৃকুল অনুসাৰে মহা ভাগৱত শাস্ত্ৰে কৃষ্ণে উপজাইলা কিছু ৰতি॥
অনন্ত কন্দলী কবি নাম মাত্ৰ ভৈলা খ্যাত কাৰ্য্যে কিছু নভৈল তাহাৰ।
নাৰাধিলোঁ একো দেৱ নকৰিলোঁ ৰাজা সেৱ একো শাস্ত্ৰ নাজানিলোঁ আৰ॥
নাচাহিলোঁ কাব্যকোষ কতো নাহি পৰিতোষ তৰ্কতো কৰ্কশ ভৈলা মতি॥
এক ভাগৱত শাস্ত্ৰ চিত্তক তুৰিলা মোৰ তাতেসে ভ্ৰৱিল প্ৰেম-ৰতি

অৰ্থ আৰ গুৰুতৰ নানাবিধ প্ৰসঙ্গৰ তত্ত্ব কৰিবাক নপাৰয় ।
ভকতি-প্ৰদীপ বিনে বৈদান্তিকো মুবুজয় টীকাতো সংশয় নিছিগয় ॥
শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি তথাপি কৰিবোঁ পদবন্ধ ।
স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব শ্ৰৱণত মিলক আনন্দ ॥

—**মধ্য দশমৰ** আত্মপৰিচয়মূলক ভণিতাত কবিয়ে এনেদৰে লিখিছে। আকৌ **শেষ দশমৰ** আৰু আন আন ৰচনাত আত্ম-পৰিচয় দিছে—

"ৰত্নপাঠক নাম পণ্ডিত পৰম । ভাগৱত শাস্ত্ৰে যাৰ আছিল বিক্ৰম ॥
শ্ৰীহৰিচৰণ নামে তাহাৰ সন্ততি । ব্যাকৰণ পঢ়ি নাম শ্ৰীচন্দ্ৰ ভাৰতী ॥
তৰ্কত লভিলা নাম অনন্ত কন্দলী । ভাগৱত আচাৰ্য্য পদবী ভৈলা বলী ॥
ভাগৱত ভট্টাচাৰ্য্য বোলে আৰ্য্য জনে । তেহেঁ বিৰচিলা পদ কৃষ্ণৰ চৰণে ॥"

"ভাগৱতাচাৰ্য্য ভণে ভয় লাজ ত্যজি বোলা ৰাম ৰাম ॥"
"ভাগৱত ভটাচাৰ্য্য, কহে এহি মোক্ষ কাৰ্য্য হৰি বুলি তৰা ভৱ-পাশ ॥"
"কহে মহা মহা ভাগৱত ভট্টাচাৰ্য । বোলা ৰাম ৰাম আত পৰে নাহি কাৰ্য্য ॥"
"ভাগৱত ভট্ট কহে অকপট ডাকি বোলা ৰাম ৰাম ॥"

তদুপৰি "শীতে তৰণি তাপেন গ্ৰীষ্মে লৌহিত বায়ুনা । সুখদোখিলা লোকানাম্ মণ্ডপঃ চন্দ্ৰভাৰতেঃ ॥" উত্তৰ গুৱাহাটীৰ এটা পৰ্ব্বতীয়া টিলাৰ ওপৰত কটা এই শ্লোকটিৰ পৰাও এই কবি ব্ৰহ্মপুত্ৰৰ পাৰত বাস কৰা বুলি বুজিব পাৰি। ৰামানুজাচাৰ্য্যই কাঞ্চীপূৰ্ণৰ উচ্ছিষ্ট ভোজনৰ বাবে ব্যাকুল হোৱাৰ দৰে অনন্ত কন্দলীয়েও শঙ্কৰদেৱৰ এবেহা বিচাৰি শঙ্কৰদেৱৰ ভোজন সময়ত উপস্থিত হোৱা কথা বৰদোৱাৰ গুৰুচৰিতত আছে। লৌকিকতাৰ দোহাই দি কাঞ্চীপূৰ্ণই ৰামানুজক বিমুখ কৰাৰ দৰে নকৰি শঙ্কৰদেৱে ভাগৱতৰ আদ্য-দশমৰ ভাঙনি শেষ কৰি তেওঁৰ মানসিক উচ্ছিষ্ট স্বৰূপে মধ্য আৰু শেষ দশমৰ ভাঙনি কৰিবলৈ অনুমতি দিয়ে ; আৰু সেই অনুসাৰেই দশম ভাগৱতৰ বিভিন্ন ভাঙনি পোৱা হয়। শঙ্কৰদেৱৰ **আদ্য দশমৰ** ভাঙনি শ্ৰীকৃষ্ণৰ শিশু-লীলাত ২৪৭৬ পদত শেষ হৈছে ; অনন্ত কন্দলীৰ **মধ্য দশমৰ** ভাঙনি কৃষ্ণই উদ্ধৱৰ সৈতে কুব্জীৰ ঘৰলৈ যোৱাৰ পৰা দামোদৰ বিপ্ৰাখ্যানত ( ১২৯৮৯-১৭৮৫৮ পদ ) আৰু এওঁৰে **শেষ দশমৰ** ভাঙনি কৃষ্ণ কুৰুক্ষেত্ৰলৈ যোৱাত আৰম্ভ হৈ যদুবংশ ধ্বংস আৰু বিপ্ৰপুত্ৰ আনয়নত ( ১৭৭৫৯-১৯১২২ পদ ) ওৰ পৰিছে। শেষ দশমৰ উল্লেখৰ পৰা

স্পষ্ট বুজিব পাৰি শঙ্কৰদেৱ ইয়াৰ ভিতৰতে বৈকুণ্ঠগামী হৈছে। অনন্ত কন্দলীয়ে আন্তৰিক ভক্তি-কৃতজ্ঞতাৰে উল্লেখ কৰিছে—

"আছিলা কায়স্থ কৃষ্ণ-কিঙ্কৰ শঙ্কৰ। তেহোঁ ভাগৱত কথা ৰচিলা সুন্দৰ ॥
যাত হন্তে ভৈলা কৃষ্ণ কথাৰ প্ৰসিদ্ধি। জানিলেক লোকে ভাগৱত নৱনিধি ॥
সিতো মহন্তৰ কিবা কহিবোঁ মহৎ। যাৰ কৃষ্ণ-কথা গীতে ব্যাপিলে জগৎ ॥
নামত কায়স্থ মহা হৰিত ভকত। কৃষ্ণ স্মৰি মৰি স্থিত ভৈলা বৈকুণ্ঠত ॥
তাসম্বাৰ অনুগ্ৰহ লভিয়া সৰ্ব্বথা। প্ৰানা আমি বিৰচিলোঁ ভাগৱত কথা ॥"

অনন্ত কন্দলীৰ ৰামায়ণ-ৰচনাৰ উল্লেখ আগতে কৰা হৈছে—

"ৰাম নাম সমান সুহৃদ নাহি আৰ। অনন্ত কন্দলী কহে ৰামায়ণ সাৰ ॥
ভাগৱত সমে আক কৰিলোঁ মিশ্ৰিত। যেন জাহ্নবীৰ জল তুলসী সহিত ॥
ভাগৱত-ৰামায়ণ কথাৰ সম্বাদ। যেন চিনি ঘৃতে আতি মিলয় সুস্বাদ ॥
মাধৱ কন্দলী আদি মহন্ত বিশেষ। কথাবন্ধে ৰামায়ণ ৰচিলা অশেষ ॥
ময়ো লিখিবোঁহোঁ তাসম্বাৰ অনুমতি। কিন্তু প্ৰপঞ্চিয়া কিছু কহিবোঁ ভকতি ॥
সাক্ষাত পৰম ব্ৰহ্ম ৰাম অৱতাৰ। নামে মাত্ৰ তাৰে যাৰ সকল সংসাৰ ॥
তাহান সামান্য কথা দুৰুচয় শোক। এতেকে ভকতি ৰচোঁ নিনিন্দিবা মোক ॥"

"কামৰূপে সাৰ হাজো নামে যাৰ অতি সন্ত পুণ্য দেশ।
গিৰিৰ নিকটে আছন্ত প্ৰকটে হয়গ্ৰীৱ ঋষি বশ ॥
তথা দ্বিজবৰ ব্ৰজৰ কিঙ্কৰ আছিলা বহু পাঠক।
ভাগৱত তত্ত্ব প্ৰৱৰ্ত্তিলা সত্ৰ তৰাইলা বহু লোকক ॥
তথা উতপত্তি তাহাৰ সন্ততি ভৈলা মাধৱৰ বৰে।
ভাগৱত তত্ত্ব সৰ্ব্ব শাস্ত্ৰ মত উদ্ধাৰি আনি আদৰে ॥
বাল্মীকিৰ কৃত ৰামায়ণ শাস্ত্ৰ ভকতিৰ যত্ন কৰি।
কথাবন্ধে সাৰ ৰচিলা পয়াৰ শুনা সৱে নৰ-নাৰী ॥"

ষষ্ঠস্কন্ধ ভাগৱতৰ শেষ হোৱাৰ পৰা ইন্দ্ৰৰ হাতত হোৱা বৃত্ৰাসুৰ বধ কাহিনীও অনন্ত কন্দলীৰ। কিন্তু অভিমন্যু বধ কাব্যৰ ভণিতাত আগতে "বোলে গোপীনাথ, মই বৰ অনাথ, তুমি দুখিতৰ ধন" (৪১১ পদ) বুলি পাছত "তোমাৰ কিঙ্কৰ, নামত কন্দলী, এৰি নিজ যত কাম। ভাৰতৰ পদ, ৰচিবে লাগিলা, মনে ভাবি তযু নাম। অনন্ত ব্ৰাহ্মণে, বোলে নিৰন্তৰে, নৰে ডাকি বোলা ৰাম।" (৪১২ পদ) লিখিছে; গতিকে ইয়াক অনন্ত কন্দলীৰ ৰচনাত

কোনোবাই জোৰা দিয়া বুলি ভাবিব পাৰি। কিন্তু এওঁৰ অতি সৰবৰহী কাব্য **কুমৰ হৰণ**; চিত্ৰলেখাৰ সহায়েৰে উষাই অনিৰুদ্ধক হৰণ কৰা মধ্য দশমৰ কাহিনীৰ ভাঙনি কবিও স্বাধীন কাব্যৰূপে কৰিয়ে এই কাব্য লিখিছে। শঙ্কৰ-দেৱে "হৰমোহনত" মোহিনীৰ অপৰূপ ৰূপ বৰ্ণোৱা কাম-ভাবৰ হোন্দোলনি তোলা ছবি ছন্দতে অনন্ত কন্দলীয়ে উষাৰ যৌৱন-সপোন মনমোহাকৈ বৰ্ণাইছে—

"এহি মতে চৈত্ৰ গৈল বৈশাখ আসিয়া ভৈল দ্বাদশী তিথিৰ সমযোগে।
উষা আছে শয়নত দেখিলেক সপোনত পুৰুষেক আছন্ত সম্ভোগে॥
ঘুমটিত থাকে ভালে জাগিলেক ততকালে গুচয় সম্ভোগ যত ভোগ।
উষায়ে নিদ্ৰাত পাই স্বামী বুলি আলিঙ্গয় ৰতি-ৰস কৰে সতী ভোগ॥
সপোনত কামে ধৰে শৰীৰ বিকল কৰে ধৰিবে চায়য় আঁকোৱালি।
আৰ হোৱে দুইৰ আগ ধৰিবে নপায় লাগ স্বামী বুলি গেৰিয়া আওঢালি॥
শয্যাত বুলাই হাত কৈক গৈল পাৰে গেৰি তুমি বিনে প্ৰাণ ছাড়ি যায়।
কোন দোষে গৈলা এড়ি প্ৰভু বুলি পাৰে গেৰি জাগি চিত্ৰলেখা আছে চাই॥
উষা বোলে প্ৰাণ সখী স্বপ্নত আছিলোঁ দেখি পুৰুষেক ত্ৰৈলোক্য মোহন।
চাৰু শ্যাম কলেৱৰ দিব্য পীত বস্ত্ৰ-ধৰ ৰুচিকৰ কমল লোচন॥
মহা বাহু মহাবল সুচৰিত্ৰ সুমঙ্গল একো অঙ্গে নাহি খতি-খুণ।
কামিনী-মোহন বেশ দৰশনে হৰে ক্লেশ কতনো কহিবোঁ ৰূপ-গুণ॥
লয়লাস বেশে আসি মোৰ মুখ চাই হাসি মহাৰঙ্গে আলিঙ্গি ধৰিলা।
মুখে মুখে ঘনে চুম্ব মৰ্দিলেক কুচ কুম্ভ ৰতি-ৰস ভাব দৰশিলা॥
পিয়াই অধৰ মধু মনক হৰিয়া মোৰো লজানো লুকাই কোথা যায়।
তাঙ্কে মই প্ৰভু বুলি বিচাৰোঁহো বিয়াকুলি সখী মোক দিয়োক দেখাই॥"

**ভক্তি-সাধন** বা **বৈষ্ণৱামৃত** বোলা ১৫৯টি পদৰ আন এখনি পুথিতো অনন্ত কন্দলীৰ ভণিতা (পদ ৬৭, ১৫৯) পোৱা হয়; শৰণ আৰু ভক্তিৰ লক্ষণ-জিজ্ঞাসাত এই পুথিৰ আৰম্ভ হৈ গীতা-ভাগৱতৰ সমিধানত সামৰণি পৰিছে। **মহীৰাৱণ বধ** নামৰ ২২৮টি পদৰ আন এখনি কাব্যত অনন্ত কন্দলীৰ ভণিতা (পদ ২১৮) আছে; পাতালবাসী এই ৰাৱণ-পুত্ৰেই পিতৃৰ উদ্ধাৰৰ বাবে ৰামৰ হাতত প্ৰাণ দিলেহি, তাকে ইয়াতো বৰ্ণোৱা হৈছে। কথাসূত্ৰ নামে এখনি হাতে-লিখা পুথিৰ ভণিতাত আছে—"সাত্বত তন্ত্ৰৰ গীতা-সাৰ, বিৰচিলোঁ কথাসূত্ৰ আৰু, ভাগৱতাচাৰ্য্যে কহে বোলা ৰাম ৰাম।" অসমীয়া হাতে-লিখা

পুথিৰ বিৱৰণমূলক তালিকাৰ বিজ্ঞ সম্পাদকে ইমানতো এওঁক হৰিদেৱী পন্থাৰ প্ৰৱৰ্ত্তক হৰিমিশ্ৰৰ পুত্ৰ বুলিব খোজে; কিন্তু অনন্ত কন্দলীৰহে এই উপাধি প্ৰসিদ্ধ দেখি ইয়াক তেওঁৰ ৰচিত বুলি আন প্ৰমাণ নোপোৱালৈকে ধৰিব লাগিব নিশ্চয়। প্ৰকাশিত **জন্ম-ৰহস্য** পুথিত সুচন্দ্ৰ ভাৰতীৰ ভণিতা দিছে; এনে কোনো কবিৰ নাম নজনাত সম্প্ৰতি ইয়াকো শ্ৰীচন্দ্ৰভাৰতী ৰচনা বুলি ধৰিব পৰা হয়। **বৃহৎ স্যমন্ত হৰণ** পুথিত অনন্ত কন্দলীৰ ভণিতা শুদ্ধভাৱে থকাত সন্দেহৰ কোনো কথা নাই; অনন্ত কন্দলীৰ আৰু কিমান পুথি লুপ্ত আছে কোৱা টান।

## অনিৰুদ্ধ ৰামসৰস্বতী ভাৰতভূষণচন্দ্ৰ কবিসৰস্বতী

"ভীষ্মপৰ্ব"ৰ ভাঙনিৰ এটা ভণিতাত পোৱা হয় ( ১৩৫০-৫৩ পদ )—

কামৰূপ মধ্যে গ্ৰাম নাহিকে উপাম। তাতে গ্ৰাম ভৈলা চমৰিয়া যাৰ নাম ॥
সেহি গ্ৰামেশ্বৰ ভৈলা কবি চূড়ামনি। পণ্ডিতগণৰ মধ্যে যাক অগ্ৰগণি ॥
গোবিন্দৰ ভকতিত যাহাৰ দিন গৈল। আত অনন্তৰে তাৰ দুই পুত্ৰ ভৈল ॥
জ্যেষ্ঠ ভৈল কবিচন্দ্ৰ অতি শুদ্ধ মতি। তাহান অনুজ ভৈল ৰাম সৰস্বতী ॥

এওঁ নৰনাৰায়ণৰ ৰাজকবি ৰাম সৰস্বতী নহয়। প্ৰকৃত ৰাম সৰস্বতীৰ চিনাকি পোৱা হয় "মণিচন্দ্ৰ ঘোষ বন-পৰ্ব"ৰ এই ভণিতাত ( ১৪২৩-২৪ পদ )।

"শূদ্ৰ কুলে জাত হুয়া পঢ়িলোঁ শাস্ত্ৰক। গুৰু বাক্যে চিনিলোঁহো ঈশ্বৰ কৃষ্ণক ॥
পিতৃমাতৃয়ে অনিৰুদ্ধ নাম দিলা। কবিচন্দ্ৰ নাম মোৰ দেৱানে বুলিলা ॥
ৰাম সৰস্বতী নাম নৃপতি দিলন্ত। ভাৰতৰ পদ মোক কৰ্ত্তা বুলিলন্ত ॥"

**উদ্যোগ পৰ্ব্বৰ** ভণিতাতো "গুণৱন্ত বংশধৰ, তেহে কবিচন্দ্ৰ বৰ, সৰস্বত সোদৰ আমাৰ। যাৰ মহা কৃপা লেশে, শিক্ষা-স্নেহ উপদেশে, ইটো পদ কৰিলোঁ প্ৰচাৰ ॥" বোলা জন নকল-ৰামসৰস্বতীহে। **আদি বনপৰ্ব্বৰ** ভণিতাত "বোলে ৰামসৰস্বতী মই হীন জাতি। ভক্তি ধনে মোক কিনি লোৱা লক্ষ্মীপতি ॥" ( পদ ১৯৩ ); "ভাৰত ভূষণে, কৰে তুতি-নতি, কৃষ্ণৰ নমি চৰণ।" (পদ ৮২৫); "কহে কবি-সৰস্বতী মুকুন্দ কিঙ্কৰ।" ( পদ ১০৪৬ ): এওঁহে প্ৰকৃত ৰাম সৰস্বতী। বনপৰ্ব্বৰ অন্তৰ্গত **বিজয় উপপৰ্ব্বৰ** ভণিতাত এওঁহে "আমাৰ ভাৰত চন্দ্ৰ নাম দিলা, কবিচন্দ্ৰ নাম আৰ।" ( পদ ৩৩২১ ) বুলিছে। দ্ৰোণপৰ্ব্বৰ ভাঙনি

কৰোঁতা এজন গোপীনাথ দ্বিজই তেওঁৰ পিতাক ৰামসৰস্বতী শুক্লধ্বজৰ পাঠক বুলি কৈছে ; এৰেঁই দ্বিতীয় নকল-ৰামসৰস্বতী হব পায়।

| | | |
|---|---|---|
| "পাটচৌৱা নামে | আছে এক গ্ৰাম, | চিনাকোণ নামে আৰ। |
| অতি বিত্তোপন | সৰ্ব সুসম্পন্ন | তুই যেন স্বৰ্ণহাৰ ॥ |
| সেহি গ্ৰামেশ্বৰ | মহা বলধৰ | ভীমসেন দ্বিজবৰ। |
| যাৰ যশৰাশি | অদ্যাপি প্ৰকাশি | যেন পূৰ্ণ শশধৰ ॥ |
| তাহান সন্ততি | ৰামসৰস্বতী | পাঠক শুক্লধ্বজৰ। |
| যেন শুক শুক্ৰ | অঙ্গিৰা তত্বক্ৰ | আৰো সুহি পটন্তৰ ॥ |
| তাহান তনয় | অতি শিশুনয় | গোপীনাথ দ্বিজবৰ। |
| হ্ৰস্ব দীৰ্ঘ ছন্দে | ৰচিলা প্ৰবন্ধে | কথা মহাভাৰতৰ ॥ |

( ৪০১২-১৪ )। এই ৰামসৰস্বতী পাঠকহে, কবি নাছিল।

মূল ৰাজকবি ৰামসৰস্বতীয়ে নৰনাৰায়ণ-চিলাৰায়ৰ পৃষ্ঠপোষকতাৰ বিশালতা অনেক মুখে শলাগিছে ; **আদি-বনপৰ্ব্ব, পুষ্পহৰণ কাব্য আৰু যজ্ঞপৰ্ব্বত** ( ২০১-২৫৫, ৮২৭-৮৫০ )—

| | | |
|---|---|---|
| "নৰনাৰায়ণ | নৃপতি প্ৰধান | ৰবি-তলে সম নাই। |
| ধনী মানী ধীৰ | গহীন গম্ভীৰ | হৰিক চিন্তে সদায় ॥ |
| যাহাৰ ৰাজ্যত | বৈষ্ণৱ সকলে | সত্ৰ-সভা প্ৰবৰ্ত্তয়। |
| অনুক্ৰমে ৰাজা | সৱাকো পালয় | পোষণ অতি কৰয় ॥ |
| খট চোৰ যত | লোৱ লেশ আদি | যাহাৰ ৰাজ্যত নাই। |
| চাৰি লক্ষ ৰাজা | যাহাৰ আদেশে | চলি থাকে সৰ্ব্বদায় ॥ |
| বৈষ্ণৱসকলে | আশীষ কৰন্ত | যশ কথা কহি অতি। |
| আগে-পাছে আৰ | নহৈব মহীত | তান সম নৰপতি ॥ |
| তাহান আজ্ঞাত | ৰচিলোঁ পয়াৰ | আমি অল্প বুদ্ধিহীন। |
| বনপৰ্ব্ব কথা | সূৰ্য্যসম জ্বলে, | আমাৰ মন মলিন ॥ |
| সপ্তদশ হটো | ভাৰতৰ মাঝে | বনপৰ্ব কথা সাৰ। |
| বত্ৰিশ হাজাৰ | টীকা হোৱে যাৰ | ভাষ্যতো ত্ৰিশ হাজাৰ ॥ |
| তাহাক চাহিয়া | বিৰচিলোঁ আমি | নানা হ্ৰস্ব দীৰ্ঘ ছন্দে। |
| মণিচন্দ্ৰ ঘোষ | বঘাসুৰ বধ | বৈষ্ণৱ পৰ্ব্ব প্ৰবন্ধে ॥ |

পৃষ্ণি মাধৱৰ চৰিত্ৰ গহন পাতাল পৰ্ব্বৰ কথা।
ঘোৰ-যাত্ৰা নাম আৰ সিন্ধুযাত্ৰা বিৰচিলোঁ আমি তথা ॥
হেন জানি সৱে আন কাম তেজি ভাৰত কথা শ্ৰৱণে ॥
ভাৰত ভূষণে কৰয় কাকুতি বাম বোলোঁ সৰ্ব্বজনে ॥"
"জয় নৰনাৰায়ণ, সৰ্বশাস্ত্ৰ-পৰায়ণ, মহাবীৰ বিশ্বসিংহ সুত।
যাৰ যশ মহিমাক, ৰাজাসৱে বখানয় যত ভ্ৰাতৃ-মাঝত যুগুত ॥
কামৰূপ বেহাৰৰ, মাঝত বহয় যিটো স্বৰ্ণকোষ নাম নদীবৰ।
তাহাতে নগৰখান দীৰ্ঘপ্ৰস্থে বহমান ইন্দ্ৰপুৰী সম মনোহৰ ॥
বাহুবলে নৰবৰ ৰাজাসৱ জিনিলেক কৰ-ভাবে কৰয় পূজন।
জয়ন্তা কিৰাট ভোত মগধ আদি মাৰিলেক আৰ কৰ দিয়ে ৰাজাগণ ॥
এহিমতে আমাসাক বহুতৰ ধন-ধান্য দিয়া মন কৰিলা পূৰণ।
তাহান সুদৃঢ় আজ্ঞা মনত আদৰে আমি ইটো পদ কৰিলোঁ ৰচন ॥
হংসলুকি আনি লোক- সংহিতা যে পুৰাণক এক কাব্য কৰি দ্বৈপায়নে।
বনপৰ্ব্ব ভাৰতত নিবন্ধ কৰিয়া তাক আমি বিৰচিলোঁ এহিমানে ॥"

"নিন্দা নকৰিবা মোক ভাষ্য নিবিচাৰি। ভাষ্যৰ অৰ্থক কোনে বুঝিবাক পাৰি ॥
সাগৰ সমান ইটো ভাষ্যৰ সাগৰ। সৱশেষ কোন জনে অৰ্থ পায়ে তাৰ ॥
তথাপি ৰচিবোঁ পদ মতি অনুসাৰে। কৃষ্ণৰ প্ৰসাদ হৌক পদৰ প্ৰচাৰে ॥
জয়-নৰনাৰায়ণ ৰাজা শিৰোমণি। সন্তৰ পৰম মিত্ৰ দুষ্টৰ অগনি ॥
আমাক কৰিলা আজ্ঞা পৰম সাদৰে। ভাৰতৰ পদ তুমি কৰিয়োক সাৰে ॥
আমাৰ গৃহত আছে টীকা-ভাষ্য যত। নিয়োক আপোন গৃহে দিলোঁহো সমস্ত ॥
এহি বুলি ৰাজা সৱে বলখি জোৰাই। পঠাইলা পুস্তক সৱ আমাসাৰ ঠাই ॥
ধন-বস্ত্ৰ অলঙ্কাৰ দিলা বহুতৰ। দাস-দাসী দিয়া মন বঢ়াইলা আমাৰ ॥
এতেকে তাহান আজ্ঞা ধৰিয়া মনত। কৃষ্ণৰ চৰণ-যুগ ধৰি হৃদয়ত ॥
বিৰচিবোঁ পদ ইটো অতি অনুপাম। পুষ্পক হৰণ বনপৰ্ব্ব যাৰ নাম ॥"
"জয় নমো নাৰায়ণ নৃপতি প্ৰধান। যাহাৰ সমান ৰাজা নাহিকয় আন ॥
ৰাজ্য-চৰ্চ্চা কৰি ৰাজা ভোগক ভুঞ্জয়। ৰবি-তলে যত ৰাজা সকলে খাটয় ॥
হেনয় নৰেন্দ্ৰ মহা ত্ৰিভুবনে সাৰ। তাহান আজ্ঞাত আমি ৰচিলোঁ পয়াৰ ॥
আমাসাক ধন-বস্ত্ৰ দিলা মহাশয়। সপ্তম পুৰুষমানে খাইবাক জোৰয় ॥"

ইয়াত একালে নৰনাৰায়ণৰ বিদ্যোৎসাহিতা আৰু ইফালে ৰামসৰস্বতীৰ

ভাঙনিৰ অদ্ভুত পাণ্ডিত্য মন কৰিব লগীয়া ; দুই কন্দলী, মাধৱ আৰু অনন্তৰ, পাণ্ডিত্যৰ তুলনাত যেনেকৈ বঙলা ৰামায়ণৰ লেখক বা কথক কৃত্তিবাসৰ কীৰ্ত্তি টুটি যায় বুলি আগতে দেখুৱাই অহা হৈছে, ৰামসৰস্বতীৰ পাণ্ডিত্যৰ আগতো তেনেকৈ বঙলা মহাভাৰতৰ লেখক বা কথক কাশীৰামৰ প্ৰতিভা হীনপ্ৰভ হৈ পৰে বুলি সহজে বুজিব পাৰি, যিহেতুকে বঙলা ৰামায়ণ-মহাভাৰতৰ গৰাকি দুজনে নিজ পাণ্ডিত্য নথকাত লোকৰ মুখে শুনা ৰামায়ণ-মহাভাৰতৰ কাহিনীৰ অৱলম্বন লৈ সেই কবিতা কৰিছিল। সি যি হওক, মহাভাৰতৰ ভাঙনি-প্ৰসঙ্গত নৰনাৰায়ণৰ লগতে শুক্লধ্বজ, আৰু তেওঁলোকৰ লগতে শঙ্কৰদেৱৰ প্ৰতিও ৰাম-সৰস্বতীয়ে সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছে। **বঘাসুৰ বধত—**

"জয় নৰনাৰায়ণ সৰ্ব্বশাস্ত্ৰ পৰায়ণ,
কিন্তু শ্ৰেষ্ঠ ভাৰত-শ্ৰৱণে।
অনুৰক্ত সদা যাক নৱ নৱ কৰি ৰাজা
শুনিয়া থাকন্ত ৰাত্ৰিদিনে॥
শ্ৰীমন্ত শঙ্কৰ নামে আছন্ত মহন্ত এক,
জম্বুদ্বীপে বৈষ্ণৱত সাৰ।
নৃপতিৰ ছোট ভাই, শুক্লধ্বজ নাম যাৰ,
ভাগৱত শাস্ত্ৰে মন যাৰ॥
শঙ্কৰক গুৰু মানি মহাভাগৱত শুনি
আৰু কৰে ভাৰত শ্ৰৱণ।
হেন জানি বুদ্ধলোক, অল্পমতি জানি মোক
নকৰিবা কিঞ্চিতো নিন্দন॥"

"জয় শুক্লধ্বজ ৰায়। কিছু অমঙ্গল নাই॥
শ্ৰীমন্ত শঙ্কৰ যাৰ। শুনায় ভাগৱত সাৰ॥
ভকতি-প্ৰসাদ পাইলে। জগতক উদ্ধাৰিলে॥
তাহান ৰাজ্যত থাকি। হৰি-নাম মুখে ডাকি॥
নামে বঘাসুৰ বধ। বৈষ্ণৱ পৰ্ব্বৰ পদ॥
বিৰচিলোঁ অপ্ৰমাদে। শুনিয়োক সভাসদে॥

**মণিচন্দ্ৰ ঘোষ** ( **বনপৰ্ব্ব** ) আৰু **কুলাচল বধ** কাব্যতো যথাক্ৰমে ৰামসৰস্বতীয়ে শুক্লধ্বজ আৰু শঙ্কৰদেৱক বন্দিছে—

"জয় শুক্লধ্বজ, ৰাজাৰ কনিষ্ঠ, পণ্ডিতৰো মধ্যে সাৰ।
ভাগৱত ধৰ্ম্মে শ্ৰীমন্ত শঙ্কৰে মনক মথিলে যাৰ ॥
ধৰ্ম্ম-যশ-বলে যাৰ সম নাহি কামৰূপ মধ্যে সাৰ।
পৰম প্ৰচণ্ড, দুৰ্জ্জনৰ দণ্ড, বৈষ্ণৱক সতকাৰ ॥
তাহান ৰাজ্যত আদৰে থাকিয়া বিৰচিলোঁ ইটো পদ।
ইটো কথা গূঢ়, মই মহা মূঢ় দোষ ক্ষমা সভাসদ ॥"
"শ্ৰীমন্ত শঙ্কৰ আপুনি ঈশ্বৰ নৰৰূপে জাত ভৈলা।
তাহাঙ্ক নসহি ব্ৰাহ্মণসকলে ৰাজা আগে খল দিলা ॥
যদুকুলে হৰি জনমিয়া আসি ক্ষিতি-ভাৰ দূৰ কৈলা ॥
এহি মনে গুণি ব্ৰাহ্মণসৱৰ কিছু মনে কোপ ভৈলা ॥
আমাৰ জীৱিকা- মান্য ভঙ্গ হোৱে এহি মনে বৰ ভয় ॥
এহিসে কাৰণে ইটো বিপ্ৰসৱে শঙ্কৰক নসহয় ॥
হেনয় মহন্ত নৰনাৰায়ণ নৃপতিত শ্ৰেষ্ঠতৰ।
আমাক আনিয়া আজ্ঞা কৰিলন্ত পদ কৰা ভাৰতৰ ॥
তাহাৰ আজ্ঞাত বিৰচিলোঁ আমি চৌব্বিশ হাজাৰ পদ।
মূল শ্লোক আৰ ত্ৰিংশ যে হাজাৰ ব্যাসৰ মুখে নিৱন্ধ ॥"

এনেবোৰ উদ্ধৃতিৰ পৰা পৰিষ্কাৰকৈ বুজিব পৰা হয়, ইমান দিনে অনন্ত কন্দলীৰে একে পতা আৰু জাতত বামুণ বুলি ভুল কৰি অহা অনিৰুদ্ধ ৰামসৰস্বতী এজন স্বতন্ত্ৰ বৈষ্ণৱ কৱি, আৰু নবীন সমসাময়িকৰূপে এওঁ শঙ্কৰদেৱৰ সহায়ত ৰাজ-অনুগ্ৰহ লাভ কৰি নৰনাৰায়ণৰ সভা-কৱি হয়। নৰনাৰায়ণৰ জীৱন-কালতে ভায়েক চিলাৰায়ৰ পুতেক ৰঘুদেৱ ( ১৫৮১—১৬০৩ খৃঃ ) সোণকোষৰ পূবে গোৱালপাৰা, কামৰূপ, বৰ্ত্তমান মঙ্গলদৈ মহকুমা আৰু মৈমনসিংহৰ এছোৱাত আৰু নৰনাৰায়ণৰ মৃত্যুত পুতেক লক্ষ্মীনাৰায়ণ ( ১৫৮৪—১৬২২ খৃঃ ) সোণকোষৰ পছিমে কোচবিহাৰ, দিনাজপুৰ, জলপাইগুৰি আৰু ৰংপুৰ জিলাত ৰজা হয় বুলি আগতে কোৱা হৈছে। ৰঘুদেৱৰ মৃত্যুৰ পাছত পৰীক্ষিত নাৰায়ণ ( ১৬০৩—১৩ খৃঃ ) আৰু এওঁৰ পাছত এওঁৰ ভায়েক বলীনাৰায়ণ বা দৰঙী ৰজা ধৰ্ম্মনাৰায়ণ (১৬১৫—৩৭ খৃঃ) ৰাজপাটত উঠে ; আৰু এওঁলোকৰ ৰাজধানী বৰনগৰৰ ঘিলা-বিজয়পুৰত আছিল। নৰনাৰায়ণৰ মৃত্যুৰ পাছত ৰামসৰস্বতী কোচবেহাৰৰ পৰা ৰঘুদেৱৰ ৰাজধানী বিজয়পুৰলৈ আহি ধৰ্ম্মনাৰায়ণৰ ৰাজত্বলৈকে তাত থকাৰ

প্ৰমাণ পোৱা হয়; তেনেহলে ৰামসৰস্বতীৰ কাল আনুমানিক ১৫৫০—১৬৫০ খৃঃৰ ভিতৰত পৰে।

এওঁ বনপৰ্ব্বৰ অন্তৰ্গত বিভিন্ন কাহিনীৰে সাতখনমান পুথি লিখিছে। ভীষ্ম পৰ্ব্ব আগছোৱাৰ ভণিতাত অনিৰুদ্ধ নাম ব্যৱহাৰ কৰি শেষ ছোৱাত আৰু উদ্যোগ পৰ্ব্বত ৰামসৰস্বতী উপাধিহে লিখা পোৱা হয়; যেনে, "অনিৰুদ্ধ বদতি-শুনিয়ো সাধু লোক।" (পদ ৩); "দ্বিজ অনিৰুদ্ধ কহে এৰাআন কাম।" (পদ ৫৬); ৰাম সৰস্বতী ভণে এৰা আন কাম।" (পদ ১৩৫৫); "বোলে ৰাম সৰস্বতী প্ৰণমোহোঁ মাথ।" (পদ ১৫৮৮)। ভীষ্ম পৰ্ব্বৰ ভণিতাৰ পৰা বুজিব পাৰি, কুৰুক্ষেত্ৰ যুদ্ধৰ অকল ষষ্ঠ দিনৰ বৰ্ণনালৈকে অনিৰুদ্ধ বা ৰাম-সৰস্বতীয়ে লিখিছে; সপ্তমৰ পৰা নৱম দিনৰ যুদ্ধলৈকে বিদ্যা পঞ্চাননে লিখা, আৰু দশম দিনৰ যুদ্ধৰ বৰ্ণনা আকৌ ৰামসৰস্বতীৰ। কোনো কোনো হাতে-লিখা পুথিত নৱম দিনলৈকে হোৱা যুদ্ধৰ বৰ্ণনাৰ ভণিতা ৰাম মিশ্ৰৰ আৰু দশম দিনৰ বৰ্ণনাৰ ভণিতা ৰামসৰস্বতীৰ। "নিদগতি ৰাম মিশ্ৰ সৱাৰে আগত। নৱ দিন যুদ্ধ এহিমানে সমাপত॥ দশ দিনা পদ কৈলা ৰাম সৰস্বতী। আমাসাৰ কৃত এহি মানে সমাপতি॥" এনে স্পষ্ট কথাৰ সত্ত্বেও ৰামমিশ্ৰ আৰু বিদ্যা পঞ্চানন আদিক ৰাম সৰস্বতীৰে একে পতা নিতান্ত প্ৰমাদযুক্ত বুলি ধৰিব লাগিব। দ্ৰোণ পৰ্ব্বৰ বিভিন্ন অংশও প্ৰাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ বিভিন্ন কবিয়ে ৰচা জয়দ্ৰথ বধ কাব্যৰ আৰম্ভ আৰু শেষৰ ভণিতাত যথাক্ৰমে আছে "মতি অনুসাৰে ভণে কবি সৰস্বতী। দ্ৰোণ পৰ্ব্বকথা পদবন্ধে নিগদতি॥ ৬৬১।" "বোলে ৰাম সৰস্বতী এড়ি আন কাম। ৯০০।" ইয়াৰ পৰা দ্ৰোণ পৰ্ব্বৰ সৰহখিনি ৰাজকবি ৰাম সৰস্বতীৰ ৰচনা বুলি বুজিব পাৰি। কুৰ্ম্মাৱলী যুদ্ধ পুথিত সাগৰখৰি বা সাগৰ কবিৰ ভণিতা থকা সত্ত্বেও কোনো কোনোৱে ইয়াক ৰামসৰস্বতীৰ ৰচনা বুলিব খোজে, সি কোনোমতে যুক্তিযুক্ত নহয়। অশ্বকৰ্ণৰ যুদ্ধৰ ভণিতাত ভাৰতচন্দ্ৰ, ভাৰতভূষণ আদি নাম থকাত তাক অৱশ্যে ৰাজকবি ৰামসৰস্বতীৰ ৰচনা বুলিব পাৰি। যুদ্ধ পৰ্ব্ব আৰু কালজঙ্ঘা বধ কাব্যৰ ভণিতাতো কবিচন্দ্ৰ, ভাৰতভূষণ, ভাৰতচন্দ্ৰ, ৰামসৰস্বতী আদি নাম পোৱা হয়। অনিৰুদ্ধৰ ভণিতাৰে খটাসুৰ বধ আৰু ৰামসৰস্বতীৰ ভণিতাৰে লক্ষ্মীচৰিত্ৰ ইয়াৰ বাহিৰেও বিৰাট পৰ্ব্ব, আদি পৰ্ব্ব, পাঞ্চালী বিবাহ, ব্যাধ চৰিত আদি অনেক কাব্য ৰাজকবি ৰামসৰস্বতীৰ বোলা হয়। তদুপৰি জয়দেৱৰ গীতগোবিন্দ

আৰু ভাগৱতৰ কোনো কোনো স্কন্ধৰ ভণিতাত ৰামসৰস্বতীৰ নাম পোৱা হয়। ৰাম সৰস্বতীয়ে সদৌ অষ্টাদশ পৰ্ব্ব মহাভাৰতৰ পদ কৰে বুলিও বহুতে ভাবে; মণিচন্দ্ৰ ঘোষ কাব্যত এওঁ বনপৰ্ব্বৰ পোন্ধৰ হাজাৰ পদ কৰা বুলিছে—

| | | |
|---|---|---|
| "শুনা সভাসদ | হুয়া নিশবদ | মনত আনন্দ কৰি। |
| মণিচন্দ্ৰ ঘোষ | ৰাম সৰস্বতী | বিচিত্ৰ ৰচে তুলড়ি ॥২৩৬৫॥ |
| বনপৰ্ব্ব কথা | পৰম গহন | পুৰাণ সংহিতা সাৰ। |
| পঁচিশ হাজাৰ | টীকা জানা আৰ | শ্লোক চাৰিশ হাজাৰ ॥ |
| অগাধ সাগৰ | দ্বৈপায়নে আৰ | কৰি আছে নিবন্ধন। |
| কোন শক্তি আক | বিচাৰ কৰিতে | আমাৰ বালক মন ॥২৩৬৬॥ |
| তথাপিতো আৰ | পদ বিৰচিলোঁ | পোন্ধৰ হাজাৰ মান। |
| আন কবিসৱে | তিনি সহস্ৰেক | কৰি আছে বিদ্যমান ॥২৩৬৭॥" |

বিভিন্ন কবিয়ে একে পৰ্ব্বকে ভাঙনি কৰাত আৰু অ'ৰ পদ ত'ত সোমোৱাত ৰামসৰস্বতী বা আন কবিৰ পদৰ সম্পূৰ্ণ নিৰ্ণয় কৰা টান। বিশেষকৈ বৈষ্ণৱ যুগৰ কবিসকলৰ এনে অনূদিত কাব্যত ভণিতাৰ বিচাৰৰ ওপৰতে সদায় ভৰ দিব লাগিব; কিয়নো ৰচনা-ৰীতি বা পদ-লালিত্যৰ পৰা এওঁলোকৰ বৈশিষ্ট্য বুজি চিনি উলিওৱা কোনোমতে সিমান সহজ নহয়।

নাই-বুলিও তিনিশ বছৰৰ অধিক কাল অসমীয়া লৰা-বুঢ়া আটাইৰে ৰাৰে সমানে অতি সৰবৰহী হৈ চলি অহা ৰামসৰস্বতীৰ হাস্য-ৰসাত্মক প্ৰধানমান কাব্য **ভীমচৰিত** উল্লেখযোগ্য পুথি। (অধ্যয়ন, ১৪৬-৫৬)। মুঠতে অসমীয়া সাহিত্য-সংস্কৃতিৰ সৌৰজগতত শঙ্কৰ-সূৰ্য্যক প্ৰদক্ষিণ কৰা জ্যোতিষ্ক মণ্ডলীৰূপে মাধৱদেৱক যদি বৃহস্পতি বোলা হয়, তেন্তে ৰাম সৰস্বতীক দ্বিতীয় উজ্জ্বল জ্যোতিষ্ক শুক্ৰ, আৰু অনন্ত কন্দলীক বুধ বুলিব লাগিব।

## ৰত্নাকৰ, শ্ৰীধৰ, সাৰ্বভৌম, কংসাৰি প্ৰভৃতি কবিসকল

"কীৰ্ত্তন-ঘোষা"ত শঙ্কৰদেৱৰ নিজ ৰচনা "শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ" আৰু "ওৰেষা বৰ্ণনা"ৰ মাজত ৰত্নাকৰ কন্দলী সুকবিশেখৰৰ সুপ্ৰসিদ্ধ **সহস্ৰ-নাম বৃত্তান্ত** বোলা অতি মনোৰম কবিতা ছয়টি। প্ৰকৃততে এই কবিজনলো কোন আৰু তেওঁৰ ৰচনাইনো শঙ্কৰদেৱৰ নিজ ৰচনাৰ মাজত এইদৰে

কেনেকৈ সোমাবলৈ পালে তাৰ সঠিক সমিধান আজিলৈকে পোৱা নাই! কিন্তু এই কবিতাকেইটি কোনো মতেই কীৰ্ত্তন-ঘোষাত অশোভন হোৱা নাই বুলিলে এই প্ৰশ্ন ঘনাই মুঠে, আৰু ৰত্নাকৰ কন্দলী সন্তৰ অনন্ত কন্দলী আৰু ইজনৰ আনটি "উচ্ছিষ্ট ভোজন" ৰূপেই জানোবা ইও শঙ্কৰদেৱৰ কাব্যৰ শাৰীত ঠাই পাইছে বুলি বহুতে নিজক বুজনি দি থয়। কিন্তু যিহেতুকে ৰত্নাকৰ কন্দলী, কবিশেখৰ, নামৰ কোনো ভণিতা অনন্ত কন্দলীৰ কোনো ৰচনাত এতিয়ালৈকে পোৱা হোৱা নাই, আৰু যিহেতুকে তাৰ বিপৰীতে "ৰত্নাকৰ কন্দলী পঢ়ন্ত গীতা তয়। বিপ্ৰাসকলাই নামে জনৈক আছয়। তাঙ্ক সম গুণী নাই জাতত ব্ৰাহ্মণ। শঙ্কৰদেৱত তেহো লৈয়াছে শৰণ।" বুলি স্পষ্টভাৱে দৈত্যাৰিয়ে কৈছে। এওঁক অনন্ত কন্দলীৰ পৰা পৃথক এজন কবি বুলিহে নিশ্চয় বুজিব লাগিব। আনটি বিষয়েও, কি ভক্তি, বা কি কাব্য, কোনো ফালৰ পৰাই অবাঞ্ছনীয় হব নোৱাৰে বুলি শঙ্কৰদেৱে নিজেও ইয়াক কীৰ্ত্তনত ঠাই দিব পাৰে। সি যি হওক, ৰত্নাকৰ যে অন্ততঃ অনন্ত কন্দলী আৰু ৰাম সৰস্বতীৰ শাৰীৰ শক্তিশালী স্বকীয়া বৈষ্ণৱ কবি তাত সন্দেহ নাই। **সহস্ৰনাম বৃত্তান্ত** পদ্মপুৰাণৰ অন্তৰ্গত; ইয়াৰ মধুৰ আৰু অমৰ ভাবৰ প্ৰথম কবিতাটি সম্পূৰ্ণ তুলি নিদিলে প্ৰকৃত সোৱাদ বুজা টান।—

কি কৰিলোঁ কি কৰিলোঁ ভকতি নকৰি। অন্তক পাইলেক আসি ৰক্ষা কৰা হৰি॥
নকৰিলোঁ শিৰে মাধৱক নমস্কাৰ। ইটো মাথা গোট মোৰ ভৈল মহাভাৰ॥
কৰ্ণ দুই আছে মুগুনিলোঁ হৰি-কথা। দুগোটা গৰ্ত্তৰ ভাৱ বহিলোঁহোঁ বৃথা॥
জিহ্বা মোৰ আছন্তে নলৈলোঁ ৰাম নাম। দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম॥
নেদেখিলোঁ নয়নে প্ৰভুৰ হেন ৰূপ। সম্যকে জানিলোঁ দুয়ো আখি অন্ধকূপ॥
যেন চিত্ৰ-বিচিত্ৰ মৈৰাৰ ভাসে পাখি। হৰি-ৰূপ নেদেখিলোঁ পাইলোঁ তেন আখি॥

হৰি-পদ তুলসীৰ নলৈলোঁ হোঁ ঘ্ৰাণ। জীৱন্তে মৰিলোঁ নাসা ভাটীৰ সমান॥
পিন্ধিলোঁহোঁ বাহুত অনেক অলঙ্কাৰ। প্ৰভুৰ পূজাক নকৰিলোঁ একবাৰ॥
কৃষ্ণ-কৃত্য নকৰিলোঁ ভৈলোঁহোঁ বৰ্ব্বৰ। ইটো হস্ত-বাহু মিছা মৃতক শৰীৰ॥
পাৱ দুই আছন্তে নগৈলোঁ ক্ষেত্ৰস্থান। মোৰ পাৱ ভৈল বৃক্ষ-শিপাৰ সমান॥
হা হা দয়াময় মোৰ কি কৰিলা গতি। এবে তুৱা নাম লৈতে হোক মোৰ মতি॥

কৰ্ম্ম দোষে যিবা জন্ম হোৱে সংসাৰত। তাতো নাছাড়োক চিত্ত তুৱা চৰণত ॥
সদায় ঘোষোক ৰাম নাম মোৰ মুখে। সংসাৰ-সাগৰ তেৱে তৰোঁ মই সুখে ॥
সকল জগত তযু মায়ায়ে মোহিত। তোমাৰ চৰণ প্ৰভু কেহে নেদে চিত্ত ॥
পুত্ৰ দাৰা নিগড়ে বান্ধিলোঁ দুয়ো ভৰি। মৰন্তে আছোঁহোঁ তবু নোবোলোঁহোঁ হৰি ॥
দুৰ্ল্লভ মনুষ্য জন্ম ভাৰতত পাইলোঁ। তোমাক নেসেৱি বৃথা জনম গোৱাইলোঁ ॥
নিচিন্তিলোঁ একবাৰ তোমাৰ চৰণ। তৰু-বন জীয়ে যেন আমাৰ জীৱন ॥
বিষয়ত ভোল হুয়া কৰিলোঁহো ভোগ। তাৰ ফলে শৃগাল-শ্বানৰ ভৈলোঁ যোগ ॥
ভৱ তৰিবাৰ যোগ্য লভিলোঁ শৰীৰ। বিষয়-বতাসে পাই কৰিলে অস্থিৰ ॥
কৰে টলবল দেহা কেনে হুইবোঁ পাৰ। প্ৰভু দাস বুলি এভু কৰিয়ো উদ্ধাৰ ॥
সুকবি শেখৰ তুৱা দাসৰ দাস। কাতৰ কৰোঁহোঁ দিয়ো চৰণত দাস ॥"

ভক্তি-ৰস আৰু প্ৰেম-কাৰুণ্যত এই কবিতাটি মাধোন "নামঘোষা"ৰ কোনো ছোৱাৰ লগতহে তুলনীয় হয়।—

"হে জিহ্বা সদা তই আমাত নিৰ্দয় ভৈলি,
কেনে নোবোলস ৰাম বাণী ॥
সংসাৰ-সাগৰে ইটো হৰিসে সুহৃদ নাও,
জানি হৰি বুলিও কল্যাণি ॥ ৯০ ।
হে কৰ্ণ সদা তোৰ, শবদেসে মাত্ৰ প্ৰিয়,
তই শব্দ মধুৰ জানস।
কোটি অমৃততোধিক পৰম মধুৰ শব্দ,
শুন সদা কৃষ্ণ নাম-যশ ॥ ৯১ ।
শুনিয়ো হৃদয় হেৰ, ব্ৰহ্মাণ্ড ভিতৰে যত,
বস্তু আছে তোক নোজোৰয়।
তাক তেজি কৃষ্ণ নাম, অক্ষয় অমৃত পিয়া,
সন্তোষক লভিয়ো হৃদয় ॥ ৯৩ ।"

"বৈবস্ব পুৰাণ পদ কথা মনোহৰ। আনন্দে ৰচিলা কবি সুকবি শেখৰ ॥" এনে ভণিতাৰে **ধৰ্ম্মনাৰায়ণৰ সম্বাদ** বোলা এওঁৰ আন এখনি পুথি আছে।—

"ব্ৰহ্মবৈবৰ্ত্ত আৰু বৃহৎ যামল। দশম স্কন্ধৰ কথা কৰিয়া মিহল ॥
ৰুদ্ৰ যামল অজামিল উপাখ্যান। পদ্মপুৰাণৰ কথা কৰিয়া মথন ॥

ইসৱ সাৰক উদ্ধাৰিয়া একবাৰ। প্ৰবন্ধেৰে নিবন্ধিলোঁ কৰিয়া প্ৰচাৰ ॥
ভকতি-ৰসিক সাধুসৱৰ সমাজে। পদ অৰ্থ বুজি সাদৰিবী সামবাজে ॥"

যমৰ ৰাজ্যৰ পৰা মানুহে কিদৰে উদ্ধাৰ হব পাৰে এই কথাকে ইয়াত কৰিয়ে আউটিছে। ৰামসৰস্বতী আৰু ৰত্নাকৰ কন্দলীৰ লগতে অনন্ত কন্দলীৰ লগত একে পতা আন এজন লেখৰ বৈষ্ণৱ কবি **শ্ৰীধৰ কন্দলী**। ৰত্নাকৰৰ "সহস্ৰ নাম বৃত্তান্তৰ" দৰে এওঁৰো **ঘুনুচা-যাত্ৰা** নামক এখানমান কাব্যখনি কোনো কোনো ছপা কীৰ্ত্তন-ঘোষাৰ ভিতৰত সোমাইছে যদিও প্ৰধান সত্ৰ-সভাত ইয়াক তাৰ অন্তৰ্গত বুলি ধৰা আৰু নাম-প্ৰসঙ্গত ব্যৱহাৰ কৰা কেতিয়াও নহয়; গতিকে ইয়াৰ অন্তৰ্ভুক্তি "সহস্ৰনাম বৃত্তান্ত"ৰ দৰে সৰ্ব্ববাদীসম্মত নহয়। (অধ্যয়ন, ১৩৯-৪২)।

পূৰ্ব্ববৈষ্ণৱ কবি হৰিহৰ বিপ্ৰই কৰা মহাভাৰতৰ **অশ্বমেধ পৰ্ব্বৰ** ভাঙনি শ্ৰীধৰেও কৰিছিল। কিন্তু ৰামসৰস্বতীৰ "ভীমচৰিতৰ" দৰে শ্ৰীধৰৰ অতি সৰৰহী কাব্য তেওঁৰ **কাণখোৱা** নামৰ মৌলিক এখুদমান পুথিখন ( অধ্যয়ন ( ১৪২-৪৫ )।

**ক্ষুদ্ৰ আৰু বৃহৎ স্বৰ্গখণ্ডৰ কবি সাৰ্বভৌম ভট্টাচাৰ্য্য** শঙ্কৰদেৱৰ সমসাময়িক আন এজন শ্ৰেষ্ঠ কবি। তেওঁৰ ভণিতা—

"শ্ৰীমন্ত শঙ্কৰ সন্ত-মূৰ্ত্তি অৱতাৰ। তোমাৰ চৰণে কৰোঁ শত নমস্কাৰ ॥
কবি সৰ্বভৌম ভট্টাচাৰ্য্য নাম যাৰ। পুৰাণ সংহিতা পদ কৰিবোঁ প্ৰচাৰ ॥
ইসৱ কথাক মই এহিমানে থওঁ। শঙ্কৰদেৱৰ কথা কিছুমান কওঁ ॥
ভক্তৰ হৃদয় তুমি সন্ত মূৰ্ত্তি ধৰি। নিজ ভক্তি প্ৰকাশাহা তুমি সে মুৰাৰি ॥
তুমি মোৰ নিজ গুৰু প্ৰিয়তম হৰি। দৈৱকী নন্দন মই ভজোঁ নিষ্ঠ কৰি ॥
শঙ্কৰক শূদ্ৰ বুলি পণ্ডিতে নিন্দয়। কোন মতে হৰি-অংশ বুলি নমানয় ॥
মৎস কূৰ্ম্ম শূকৰাদি পশু অৱতাৰ। কিমতে পণ্ডিতে সেৱে দুষ্ট দুৰাচাৰ ॥
সাৰ্বভৌম ভট্টাচাৰ্য্য জ্যোতিষত সাৰ। দেৱী উপাসক আছিলোঁহোঁ দুৰাচাৰ ॥
শঙ্কৰৰ সঙ্গে বহু বাদক কৰিলোঁ। বাদে ভঙ্গ হুয়া শাস্ত্ৰ পঢ়িবাক গৈলোঁ ॥
কাশী দেশে বিশ্বেশ্বৰ চক্ৰবৰ্ত্তী নাম। চাৰি বেদ পঢ়িলোঁহোঁ তৈতে অনুপাম ॥
পঞ্চ বৰ্ষ তৈতে বেদ-শাস্ত্ৰক পঢ়িলোঁ। অনেক শাস্ত্ৰক শিকি জ্ঞানক লভিলোঁ ॥
স্বৰ্গখণ্ড ৰহস্যক তহিতে জানিলোঁ। হৰিত ভজিবে লাগি মন থিৰ কৈলোঁ ॥
একদিন গুৰু মোক কৰিয়া শাশ্বত। কহিলন্ত গোপ্য কথা জানিলোঁ মনত ॥

পূৰ্ব্ব দিশে নিজ শক্তি হৰি অৱতাৰ। নিজ যশ ধৰ্ম্ম কীৰ্ত্তি ভকতি-প্ৰচাৰ ॥
নামত শঙ্কৰ হৈব শূদ্ৰ কুলে জাত। ব্ৰহ্ম হৰ আদি দেৱো জন্মিব তথাত ॥
লোকৰ তৰণ হেতু সন্ত মূৰ্ত্তি ধৰ। তাহাৰ চৰণে কৰোঁ শত নমস্কাৰ ॥”

সাৰ্বভৌমই শঙ্কৰদেৱৰ অসমৰ আৰু ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ শিষ্যসকলৰ বিৱৰণ দিছে (১৭৪-৯৫ পদ), আৰু “এক বাৰ ছয় বিংশ বৰিষ ভৈলন্ত। তথাপি কিশোৰ স্বভাৱক নেৰিলন্ত ॥ ২০৬।” বুলি কৈছে। ‘স্বৰ্গখণ্ড ৰহস্যৰ, ইটো কথা সাৰতত্ত্ব, হৰি কৈলা ব্ৰহ্মাৰ আগত। বৃহৎ খণ্ডত কৈলা, বহুভাৱে ভক্তিকথা, ৰহস্যৰ কথা সমাপত ॥” বুলি ২১৮ পদত সামৰিছে।

**ভীষ্ম পৰ্ব্বত** ৰামসৰস্বতীৰ লগত পোৱা **বিদ্যাপঞ্চানন** কবিৰ আত্ম-পৰিচয়—

বৃহৎ নগৰ তান্ত্ৰিকৰণ যে স্থান। মৰ্ত্তে দেৱে যত্নে তাক কৰিছে নিৰ্ম্মাণ ॥
নানা দিব্য পাট বস্ত্ৰ দেৱাঙ্গ বসন। যিটো নগৰত সদা হোৱে উৎপন ॥
তাহাৰ নিকট বহে সুন্দৰ মানস। য'ত স্নান-তৰ্পণে দুঃখৰ হোৱে নাশ ॥
সেহি নগৰত দ্বিজবৰ আছিলন্ত। নামে কণ্ঠাভৰণ যে পৰম মহন্ত ॥
তাহাৰ কনিষ্ঠ পুত্ৰ গুৰু গোপালৰ। হৃদয়ত ধৰি দুই চৰণ সুন্দৰ ॥
সমীপৰ লোকৰ আনন্দ মন দেখি। অম্বাৰ চৰিত্ৰ পদ-বন্ধে থৈলা লিখি ॥
অম্বাৰ চৰিত্ৰ ভণে বিদ্যাপঞ্চাননে। বোলন্ত মিনতি কৰি শুনা সৰ্ব্বজনে ॥
চন্দ্ৰ বাণ ঘোটকৰ পিঠিত গগন। কৃষ্ণ পক্ষ চতুৰ্দ্দশী মাস যে শ্ৰাৱণ ॥
অশ্বিনী নক্ষত্ৰে সমাপতি ভৈলা পদ। বোলঁা ৰাম ৰাম সৱে খণ্ডোক আপদ ॥

তেন্তে ১৫৪০ শকত (১৬১৮ খৃঃ) মানাহৰ পাৰত বৰনগৰত কণ্ঠাভৰণৰ সুমলীয়া পুতেক বিদ্যাপঞ্চাননে ভীষ্মপৰ্ব্বৰ এই **অম্বা চৰিত্ৰ** সমাপ্ত কৰিছে বুলি জনা হল।

**কংসাৰি কায়স্থ** এই যুগৰে আন এজন প্ৰধান বৈষ্ণৱ কবি; কিয়নো ৰামসৰস্বতীৰ বনপৰ্বৰ পুষ্পভূষণ কাব্যৰ (১৪২৫-২৬) ভণিতাত—

“কংসাৰি প্ৰমুখ্যে থৰি আছে যত যত। সিসৱেও পদচয় কৰিলা পাছত ॥
আমাক বুলিলা পাছে সঙ্কেত বচন। আমাসাৰ পৰিচয় কৰিবাক মন ॥
ৰাজ্যাত কাহিনী কৰি দিলোঁ কতখানি। তাৰাপৰে পদ কৰি আছে মহামানী ॥”

ৰামসৰস্বতীয়ে বিৰাট পৰ্ব্বৰ পাণ্ডৱৰ অজ্ঞাতবাসলৈকে লিখাৰ পাছত, কংসাৰিয়ে **দক্ষিণ গো-গৃহ** আৰু **কিৰাতপৰ্ব্ব**-আদিৰ ভাওনি কৰে যে তাক

"ভণতি কংসাৰি পদ দক্ষিণ গো-গৃহ," "কৃষ্ণৰ কিঙ্কৰ কহে কায়স্থ কংসাৰি," সুকবি কংসাৰি নামে, পদবন্ধে নিবন্ধিলা, বিৰাট পৰ্ব্বৰ কথা প্ৰায়।" ভণিতাৰ পৰা বুজি **বিৰাট পৰ্ব্বৰ** পদত কংসাৰিৰ আত্মপৰিচয়—

| | | |
|---|---|---|
| ভূঞাৰ মধ্যত | প্ৰবল কুলত | আছিলন্ত শিৰোমণি। |
| শ্ৰীদোলৎখাঁ | গ্ৰাম নাম জানা | আছিল সত্য ভৱানী ॥৫৭২। |
| জ্ঞানী মধ্যে সাৰ | তাহান প্ৰৱৰ | শ্ৰীমন্ত গাভৰুখাঁ নাম। |
| হৰি-পদ সেৱি | মহা যত্ন কৰি | ৰচিলা পদ উপাম ॥ ৫৭৩ |
| শ্ৰীমন্ত গাভৰুখাঁ | সহ পুত্ৰ জয়যুত | আৰো ভ্ৰাতৃ যতেক সোদৰ। |
| তাহান বচন শুনি | অতি মুগ্ধভাৱে পাছে | লিখিলা কায়স্থ পীতাম্বৰ ॥৬৪১ |
| কায়ৰূপে অগ্ৰগণী, | শ্ৰীযশচন্দ্ৰ খৰী | গোপালৰ চৰণ সেৱন্ত। |
| গুণৱন্ত পুণ্যৱন্ত, | উদাৰ গম্ভীৰ সন্ত, | যাৰ যশ জগতে কহন্ত ॥১১৬৬ |
| কায়স্থ কুমুদ-বাণ | কিৰাটে অপতে ছন্ন | তেহোঁ ভৈলা পালিত বান্ধৱ। |
| কন্থ কায়স্থ বংশত | আসি জন্ম লভিলন্ত | জয় জয় শ্ৰীমন্ত মাধৱ ॥ |
| তাহান থানত বঙ্গে কায়স্থ কংসাৰি কৰি | | বিৰচিলা ভাৰত পয়াৰ ॥১৬৬ |

তেনেহলে এই পীতাম্বৰ ( =কংসাৰি ? ) এওঁৰে আন এটা নামনে কি ?

প্ৰথম **শঙ্কৰ-চৰিত** লেখক মাধৱদেৱৰ ভাগিনেক **ৰামচৰণ ঠাকুৰৰ** উল্লেখ অনেক বাৰ কৰি অহা হৈছে। মাধৱদেৱৰ লগত ৰামচৰণৰ সম্পৰ্ক সদায় অতি ঘনিষ্ঠ, আৰু ৰামচৰণে "কীৰ্ত্তন-ঘোষা" খনি গোটাই জুকিয়াই আনি মাধৱদেৱক দিয়া কাহিনীটি বিশেষ উল্লেখযোগ্য। আটাইকেখন গুৰু-চৰিতৰ ভিতৰত এই-খনিয়েই অতি বিতং, কিয়নো এওঁৰ বাহিৰে গুৰু দুজনাক ইমান ঘনিষ্ঠভাৱে জনা কোনো চৰিত-লেখক নাছিল। তথাপি এওঁৰ পুতেক দৈত্যাৰিয়ে "নাহিক আৰিসি" বুলি লিখা কথাকে ওফন্দাই কোনো-কোনোৱে ইয়াক পৰবৰ্ত্তী ৰচনা বুলিব খোজে ; কিন্তু তেতিয়া হলে দৈত্যাৰিৰ গুৰু-চৰিতো তেওঁৰ পৰবৰ্ত্তী হয়, কিয়নো দৈত্যাৰিৰ পাছৰ চৰিত-লেখক ভূষণ দ্বিজয়ো সেইদৰে "নাহিক আৰিসি" বুলিছে। কিন্তু এইটো তেনে ভৰ দিব লগা কথা নহয়, কিয়নো পুতেকেও পিতাকৰ হাতে-লিখা পুথি নেদেখা বা নোপোৱাৰ একাধিক কাৰণ থাকিব পাৰে ; গতিকে এনেবোৰ উপলুঙা কথাতকৈ তাৰ ভিতৰুৱা মূল্যৰ ওপৰতহে সদায় ভৰ দিব লাগিব। ৰামচৰণৰ লৰাকালৰ বিষয়ে দৈত্যাৰিয়ে লিখিছে (৯৪১—৫১)—